**বিজ্ঞান ধাৰাৱাহিক -- বহনক্ষম বিকাশ ...**

**খণ্ড -- ২৭**

**বিষয় – ভূমি ব্যৱস্থাপণা আৰু ভূমি ব্যৱহাৰৰ পৰিৱৰ্তন**

**ড° চয়নিকা শৰ্মা**
(মূল লেখনীৰ পৰা যৎ সামান্য আভাস লোৱা হৈছে)

**চৰিত্ৰসমুহ**
**১. কমল - কৃষক**
**২.সূৰ্য্য - কৃষক**
**৩. বীৰেন - কৃষক**
**৪. হৰ্ষিতা – অধ্যাপিকা**
**৫. ড০ ইক্ৰাম হুছেইন – বিশেষজ্ঞ**
**৬. গঙ্গা ৰায়চৌধুৰী – পঞ্চায়তৰ সভানেত্ৰী**
**৭. বাসন্তী – কমলৰ পৰিবাৰ**
**৮. প্ৰকৃতি – কমলৰ জীয়ৰী, ছাত্ৰী**
**৯. পাৰ্থ – কমলৰ পুত্ৰ**

**ঘোষণা আৰু শীৰ্ষক সংগীত**

**দৃশ্য – ১**

**কমল – বাসন্তী, অ’ বাসন্তী কি কৰি আছা?**

**বাসন্তী – ৰান্ধনী শালত আছো। মৈ চাহ নি আছো, অলপ ৰ’বা ...**

**কমল – পাৰ্থ আৰু প্ৰকৃতি ক’ত? সিহঁত উঠাই নাই নেকি?**

**বাসন্তী – এঘন্টা আগতেই উঠিলে সিহঁত। পাৰ্থই বাতৰিকাকত পঢ়ি আছে আৰু প্ৰকৰিতিয়ে গৰুৰ দানা সিজাই আছে। ওঁ এয়া লোৱা চাহ – জলপান। অ’ শুনাচোন। বহাগ বিহু আহিলেই নহয়। দুয়োটাকে নতুন কাপোৰ দিব লাগিছিল নহয়।**

**কমল – মোৰ মনত আছে বাসন্তী। কিন্তু তুমিতো জানাই আমাৰ সমস্যা। ধাৰ ঋণ কিমান আছে - । এইবেলিও খেতিবাতি ভাল হোৱাৰ আশা নাই - কি যে কৰো ...**

**পাৰ্থ – দেউতা, মই দুদিনৰ ভিতৰত কলেজৰ মাচুল দিব লাগিব।**

প্ৰকৃতি - দেউতা, গৰু ছাগলী ৰখাই সমস্যা হৈছে। সিহঁতৰ উপ্যুক্ত খাদ্য নায়েই। কিন্তু আমাৰ ইমান দিগদাৰী হৈছে। দেউতা আমাৰ পৰায়ালটো চলাৰ বাবে আন কিবা অজনৰ পথ ভাবিব নোৱাৰিনে?

কমল - সেয়াতো সমস্যা। ৰ'বিচোন কিবা এটা হ'ব। মই আকৌ ঋণ লবৰ বাবে চেষ্টা কৰি আছো। এই কথা তহঁতে জাননে মোৰ বন্ধু শিৱ - মাধুপুৰ গাৱঁৰযে। তেঁও তেঁওৰ খেতিমাটিত পখুৰী খান্দি মিছামাছ পুহিছে। আৰু হেনো এই ব্যৱসায়ত তেঁও যথেষ্ট লাভবান হৈছে।

বাসন্তী - মই কিন্তু এই কাম কৰা ভাল নেদেখো। সদায় মানে ভৱিষ্যতলৈকে এনে ব্যৱসায় চলাই থাকিব পাৰিম জানো।

প্ৰকৃতি - মায়ে ঠিকেই কৈছে। আমি কোনো বিশেষজ্ঞৰ পৰামৰ্শ লোৱা উচিত।

কমল - প্ৰকৃতি - তহঁতো কৃষিবিজ্ঞান পঢ়া ছোৱালী। তই ভূমিব্যৱহাৰ সম্পৰ্কে নতুন কিবা কথা শিকিছ নেকি?

প্ৰকৃতি - হয় দেউতা, অলপ - চলপ শিকিছো। কাইলৈ আমি মধুপুৰ গাৱঁলৈ ক্ষেত্ৰ অধ্যয়নৰ বাবে যাম। তাত আমি জৈৱিক কৃষি প্ৰণালী আৰু ভূমি ব্যৱস্থাপণা সম্পৰ্কে নতুন নতুন কথা শিকিব পাৰিম।

বাসন্তী - হয় নেকি? বৰ ভাল কথা।

প্ৰকৃতি - আমাৰ লগত আমাৰ অধ্যাপিকা হৰ্ষিতা বাইদেউও যাব।

কমল - বৰ ভাল কথা দেশোন। মই পিছে জৈৱিক - কৃষিৰ বিষয়ে একো নাজানো। প্ৰকৃতি! কাইলৈ তেন্তে ময়ো যাম তালৈ।

বাসন্তী - মই অৱশ্যে ৰেডিঅ'ত এনে বিষয়ৰ আলোচনা প্ৰায়ে শুনিবলৈ পাওঁ। বহুত নতুন নতুন খবৰ জানিব পাৰি বাৰু মই ভাতৰ যোগাৰ কৰোগৈ দেই।

দৃশ্য - ২

(বাছ ৰোৱাৰ শব্দ। ল'ৰা ছোৱালীৰ কোলাহল। কিৰিলি গীত মাত)

হৰ্ষিতা - ছাত্ৰ ছাত্ৰী সকল, সকলোবোৰ নামা। স্মি মধুপুৰ গাওঁ পালোহি। অ' এখেতেই বোধহয় গাওঁবুঢ়া ডাঙৰীয়া ... নমস্কাৰ!

সূৰ্য্য - নহয়, মই সূৰ্য্যহে, নমস্কাৰ। গাওঁবুঢ়া মোৰ খুৰাহে। অলপ পাছতেই আহিব। আপুনি কি কৰে?

হৰ্ষীতা – মই হৰ্ষীতা বাইদেউ, দলটোৰ তত্বাবধায়ক।

সূৰ্য্য – মই জৈৱিক খেতিকৰাৰ বাবে যত্ন কৰিছো। কিছু পৰিমাণে সফলো হৈছো। উৎপাদন ভাল। আপোনালোকক মই সকলোখিনি দেখুৱাম।

হৰ্ষীতা – বৰ ভাল কথা। কিন্তু তাৰ আগতে আমি সকলোৱে ভূমি ব্যৱহাৰ সম্পৰ্কে অলপ আলোচনা কৰি লওঁ। তাৰপাছতহে আপোনাৰ খেতি চাবলৈ যাম।

ছাত্ৰ – ছাত্ৰী – হ'ব বাইদেউ।

হৰ্ষীতা – হ'ব বাৰু। আমাৰ ইয়াত হেখোন কেবাজনো কৃষক লগ লাগিছে। আমাৰ আলোচনাত তেখেতসকলেও ভাগ ল'ব। বৰ ভাল লাগিব।

কমল – মই বাইদেউ – পদুমণি গাৱঁোৰ পৰা আহিছো – মোৰ নাম কমল চৌধুৰী।

প্ৰকৃতি – মোৰ দেউতা, বাইদেউ।

হৰ্ষিতা – হয় নেকি? নমস্কাৰ। আপোনালোক সকলোৱে জানে যে ভূমি বা মাটি হৈছে অতি দুৰ্লভ সম্পদ। যিকোনো ৰূপত ব্যৱহাৰৰ বাবে ইয়াৰ যোগান সীমাবদ্ধ। আমি যিখিনি ভূমি ব্যৱহাৰ কৰিব পাৰো সেইয়া দুটা প্ৰধান ভাগত ভাগ কৰা হৈছে। ছাত্ৰ ছাত্ৰী সকল, কোনোবাই ক'ব পাৰিবানে সেই ভাগ বোৰ কি কি?

প্ৰকৃতি – মই কওঁ বাইদেউ, কৃষিভূমি আৰু অকৃষি ভূমি।

হৰ্ষিতা – প্ৰকৃতি ঠিকেই কৈছা। কৃষি ভূমি আৰু অকৃষি ভূমি। কৃষি ভূমি বুলিলে আমি উৎপাদন কাৰ্য্যৰ বাবে উপ্যোগী ভূমি ভাগেই বুজো। উৎপাদন বুলিলে কৃষি শস্য আৰু পশুপালন বুজায়।

হৰ্ষিতা – আৰু অকৃষি ভূমি মানে অৰণ্যভূমি, স্থায়ী চৰণীয়া পথাৰ, নগৰ চহৰ, গাওঁৰ বসতি অঞ্চল, ৰাস্তাঘাট, ৰেললাইন আদিৰ বাবে ব্যৱহাৰ কৰা ভূমিবোৰকে বুজায়। কোনোবাই বাৰু আৰু কিবা অকৃষিভূমিৰ নাম ক'ব পাৰিব নেকি?

কমল – হয় বাইদেউ, বন্ধ্যাভূমি, পাহাৰীয়াভূমি, পাৰ্বত্যভূমি, মৰুভূমি ...

হৰ্ষিতা – ঠিকেই কৈছে কমলদাদা। আমাৰ দেশত পঞ্চাশ শতাংশৰো অধিক ভূমি কৃষিৰ বাবে ব্যৱহাৰ কৰা হয়। বৰ্ত্তমান ভূমি ব্যৱহাৰৰ পদ্ধতি সলনি হৈছে। আধুনিক পদ্ধতিৰে উৎপাদন বা অন্যান্য সামগ্ৰী বৃদ্ধি কৰাৰ উপৰিও পৰিস্থিতিক কাৰ্য্যবোৰো দীৰ্ঘম্যাদী কৰিছে।

কমল – তেনেহ’লে ভূমিব্যৱস্থাপনা কেনেদৰে কৰা যাব?
হৰ্ষিতা – ভাল প্ৰশ্ন। ভূমি ব্যৱস্থাপনাৰ ধাৰাবাহিকতা ৰক্ষা কৰাৰ বাবে আমি মাটই, পানী জৈৱবৈচিত্ৰ্য আৰু পৰিৱেশৰ ব্যৱস্থাপনা একত্ৰিত কৰিব লাগিব। খাদ্যশস্য আৰু আহঁজাতীয় শস্যৰ অত্যাধিক চাহিদা পুৰণ কৰাৰ আৱশ্যকতালৈ লক্ষ্য ৰখাৰ লগতএ পাৰিপাৰ্শ্বিক অৱস্থা আৰু জীৱকুলৰ সুৰক্ষাৰ প্ৰতিও সতৰ্ক হব লাগিব। অৰ্থাৎ আমাৰ প্ৰয়োজনীয় সা-সামগ্ৰীৰ উৎপাদন বৃদ্ধি কৰিবলৈ যাওঁতে যাতে পৰিৱেশ, জীৱ তথা উদ্ভিদ জগত কাৰো একো হানি নহয় তাৰ প্ৰতি তীক্ষ্ম দৃষ্টি ৰাখিব লাগিব। সকলো কৃষকে নতুন পদ্ধতিৰ বিষয়ে ভালদৰে শিকি লব লাগিব।

প্ৰকৃতি – বাইদেউ, জৈৱিক কৃষিৰ বিষয়ে শুনাবনে?

হৰ্ষিতা – নিশ্চয়। আমিতো ইয়ালৈ কৃষিভূমি বোৰ চাবলৈ আহিছোঁ। সুৰ্য্যদাদা এই গাৱঁৰ জৈৱিক কৃষিৰ মূল নায়ক। আমি তেখেতৰ কৃষিভুমি চাবলৈ যাম। তাৰ আগতে আমি দুপৰীয়াৰ আহাৰ কৰি লওঁ।

সুৰ্য্য – আপোনালোকে ইয়াতে বহক আৰু আহাৰ গ্ৰহণ কৰক। খোৱাপানী আছেই – একো চিন্তা নকৰিব।

(সকলোৱে আহাৰ খোৱাৰ শব্দ)
(দৃশ্য সলনি)

হৰ্ষিতা – সুৰ্য্য দাদা। বলক এতিয়া আমাৰ যাত্ৰা আৰম্ভ কৰো।

সুৰ্য্য – সকলোৱে মোৰ লগে লগে আহি থাকক।

(পৰিৱৰ্ত্তন)

সুৰ্য্য – এইয়া ধাননী পথাৰ। মই এইয়া শালি ধান ৰুইছো। এতিয়া চপাবৰ হৈছেএ। সেইপিনে চাউক কল – বিভিন্ন ফলমুল। আৰু এইবোৰ – এইপিনে আহকচোন ... এইয়া বেঙেনা, সেইয়া বিলাহী।

কমল – আহ্ বঢ়িয়া বঢ়িয়া। এই অমিতাবোৰ বেছ ভাল হৈছে। এই সকলোবোৰ জৈৱিক খেতিৰ উৎপাদনৰ নেকি সুৰ্য্য?

সুৰ্য্য – হয়।

প্ৰকৃতি – খুৰা আপুনি শাকৰ খেতিও কৰিছে নেকি?

সুৰ্য্য – অঁ প্ৰকৃতি মাজনহি – মই অকনমান ঠাইত শাকপাছলিৰ খেতিও কৰিছোঁ। অহা বছৰ আৰু বেছিকৈ কৰিম বুলি ভাৱিছো।

**সকলো – বৰ ভাল লাগিছে।**

**কমল – বাইদেউ – এটা কথা কওকচোন – আমি সচৰাচৰ কৰি অহা কৃষি কাৰ্য্যতকৈ জৈৱিক কৃষি কিহত পৃথক – মানে দুয়োটাৰ মাজত কিহৰ প্ৰভেদ?**

**হৰ্ষিতা – জৈৱিক কৃষি পদ্ধতিত উন্নত মানৰ শস্য উৎপাদন কৰিবলৈ এক বিশেষ কৌশল ব্যৱহাৰ কৰা হয়, যিয়ে প্ৰাকৃতিক পৰিৱেশ আৰু মানুহৰ একো ক্ষতি নকৰে। কীটনাশক দ্ৰব্য, সাৰ, কৃত্ৰিম সাৰ, জীৱনুনাশক দৰৱ, হৰমোন, ৰাসায়নিক সাৰ ইত্যাদি ব্যৱহাৰ কৰা নহয়।**

**কমল – বাইদেউ ৰাসায়নিক সাৰ ব্যৱহাৰ নকৰাকৈ অধিক উৎপাদন কেনেকৈ সম্ভৱ?**

**হৰ্ষিতা – কোনে কৈছে ৰাসায়নিক সাৰ নিদিলে অধিল উৎপাদন নহয় বুলি? মাটিডৰা সঞ্জীৱিত আৰু অধিক উৎপাদনক্ষম কৰি ৰখাত জৈৱিক অৱশিষ্টবোৰ অৰ্থাৎ শস্য, জীৱ আৰু আন আন অনুজীৱৰ অৱশিষ্টবোৰে অধিক অৱদান যোগায়। জৈৱিক সাৰ অৰ্থাৎ উপ্কাৰী কীটানূ ইট্যাদিও ব্যৱহাৰ কৰা হয়। সকলোবোৰ মিলি মাটিৰ উৰ্ব্বৰতা বৃদ্ধি কৰে। আপোনালোকে জানেই যে ৰাসায়নিক সাৰবোৰে জীৱানুনাশক দৰৱৰ দৰে। সেইবোৰে সাময়িক ভাৱেহে উপকাৰ কৰে। কিন্তু মাটিৰ উৰ্ব্বৰতা শক্তি নাইকিয়া কৰে – বহুবছৰলৈ। জৈৱিক সাৰবোৰ শ্বেত ৰক্ত কণিকাৰ দৰে । সেইবোৰে শস্যৰ ৰোগ প্ৰতিৰোধ কৰে।**

**কমল – এইটোতো বৰ ভাল কথা বাইদেউ। কিন্তু কীটনাশক দ্ৰব্য নিদিয়াকৈ কিদৰে কীটৰ প্ৰকোপ বন্ধ হ'ব বাইদেউ?**

**হৰ্ষিতা – বৰ ভাল কথা। শুনক!** আমাৰ কৃষক সকলে বিছ- বিচাৰ নকৰি অপ্ৰয়োজনীয় ভাৱে কীটনাশক দ্ৰব্য ব্যৱহাৰ কৰে। এইবোৰে কৃষকৰ উৎপাদন বৃদ্ধিত সহায় কৰিব পাৰে। কিন্তু বাকী সকলোৱে ভীষণ পকাৰ কৰে আৰু পৰিৱেশৰ অপুৰণীয় ক্ষতি কৰে।  কিন্তু জৈৱিক কৃষিত কীটাণু ৰোগ, বীজানু, ঘাহঁবন সকলোবৰ নিয়ন্ত্ৰিত হয় উৎকৃষ্ট কৃষি পদ্ধতি, উন্নত শস্য, শস্যৰ পৰিৱৰ্তন, কিটখোৱা পতঙ্গ বৃদ্ধি কৰণ ভিন ভিন প্ৰকাৰৰ জীনীয় শস্যক বৃদ্ধিকৰণ আৰু প্ৰাকৃতিক কীটনাশক ব্যৱহাৰ কৰি এইসকলোবোৰ নিয়ন্ত্ৰণ কৰিব পাৰি।

কমল – বাইদেউ আৰু এটা কথা মোৰো সুধিব আছি, জৈৱিক কৃষিৰ উপকাৰিতা কি বাৰু?

হৰ্ষিতা – জৈৱিক কৃষিৰ বহুত উপকাৰিতা আছে। জৈৱিক কৃষিয়ে মাটিৰ পুষ্টি বৃদ্ধি কৰে। যিবোৰ – উদ্ভিদ আৰু জন্তুলৈকো যায়। কোনোধৰণৰ বিষাক্ত ৰাসায়নিক সাৰ, কিটনাশক দ্ৰব্য আৰু বনমৰা দৰব ব্যৱহাৰ নকৰা বাবে বেমাৰ আদি কমে। জৈৱিক খাদ্যবোৰৰ সোৱাদ আন আন খাদ্যবোৰতকৈ বেলেগ হয় যাৰ বাবে সকলোৱে এইবোৰ খাবলৈ ভাল পায়।

প্ৰকৃতি – দাম বা খৰছ কিমান হয় বাইদেউ –

হৰ্ষিতা – সুৰ্য্য দাদা, আপুনিয়ে কউকচোন, কাৰন আপোনাৰ অভিক্ষন হৈছে

সুৰ্য্য – মই কেৱল জৈৱিক সাৰ ব্যৱহাৰ কৰো। কীটনাশ কৰাৰ বাবে মই জৈচিক নিয়ন্ত্ৰন পদ্ধতিৰ আলম লঁও। সেয়ে খৰছ বহুত কম হয়। আনহাতে শস্যৰ উৎপাদনো অধিকহয়।

হৰ্ষিতা – অহ্ অহ্ ৫ বাজিলেই। আমি যোৱা উচিত।

সুৰ্য্য – ৰবচোন বাইদেউ। মই চকিদাৰজনক মোৰ বাৰীৰ ফলমূল কাইটামান আনিবলৈ কৈছিলো – সৌৱা তেওঁ আহিছেই। এই সকলোবোৰ আপোনালোকৰ বাবে আনিছো। খাওকচোন – কল অমিতা এইবোৰ খাই কওকচোন কেনে সোৱাদ।

সুন্দৰ – বাহ বঢ়িয়া – বৰ মিঠা।

প্ৰকৃতি – সচাঁকৈ বৰ সোৱাদ।

সকলোৱে – বৰ ভাল লাগিছে খাই – বআহ

হৰ্ষিতা – বাৰু আমি আহোঁ তেনেহ'লে। আকৌ লগ পাম। ব'লা ব'লা।

(বাছ চলাৰ শব্দ)

দৃশ্য – ৩
(সভাৰ পৰিৱেশ)

ঘোষনা – এটি ঘোষনা। কৃষক সকলক কৃষিবিভাগ, জলসিঞ্চণ বিভাগ, বনবিভাগৰ দ্বাৰা আয়োজিত প্ৰদৰ্শনী সমূহ চাবলৈ অনুৰোধ জনালো। ভাৰতৰ ভূমি ব্যৱহাৰ, পানী সংৰক্ষণ, অৰণ্যজীৱন, মিছামাছপালন, জলাহবন, মাটিৰ কীট আদিৰ বিভিন্ন ফটো আৰু চিত্ৰৰে প্ৰদৰ্শনীবোৰ ভৰি আছে। এইবোৰ চাই আপোনালোকে ভাল পাব। আহক প্ৰদৰ্শনিলৈ আহক লগতে আলোচনা সভালৈয়ো আহক। আহক ৰাইজ! আহক!!

(প্ৰদৰ্শনীৰ কোলাহল)

গঙ্গা – সমবেত ৰাইজ। বন্ধুসকল নমস্কাৰ। মই গঙ্গা ৰায়চৌধুৰী, এই পদুমনি গাওঁ পঞ্চায়তৰ সভানেত্ৰী। আপোনালোকৰ অধিকাংশই ধানৰ খেতি কৰে প্ৰত্যেকেই কিছুমান সমস্যাৰ সন্মুখীন হৈছে। সেয়ে আজি আমি এই আলোচনা চক্ৰৰ আয়োজন কৰিছো। আমাৰ মাজলৈ আমন্ত্ৰণ কৰি আনিছোঁ – ড০ ইক্ৰাম হুছেইন, তেখেত কৃষি বিজ্ঞানী আৰু কৃষি বিজ্ঞান কলেজৰ অধ্যাপিকা শ্ৰীযুতা হৰ্ষিতা দুৱৰাক।

ড° হুছেইন – নমস্কাৰ। সকলোকে সম্ভাষণ জনাইছোঁ। মই ড০ হুছেইন। বাৰু প্ৰথমে কওকচোন আপোনালোকে প্ৰদৰ্শনীখন চালেনে বাৰু?

কমল – হয় চাৰ। চালো আৰু বহুত নজনা কথা জানিব পাৰিলো চাৰ।

ড° হুছেইন – বৰ ভাল কথা। বাৰু আমি প্ৰথমে ভূমি সম্পদৰ বিষয়ে জানো আহক। ভূমি সম্পদ সাধাৰণতে জৈৱিক কৃষি, পুৰ্ববননীকৰণ, জলসম্পদ ব্যৱস্থাপনা প্ৰকৃতি পৰ্য্যটন ইত্যাদিৰ ক্ষেত্ৰত ব্যৱহৃত হয়। ভূমি অবক্ষয় এটি প্ৰধান আলোচ্য বিষয় হৈ পৰিছে।

কমল- ভূমি অৱক্ষয় মানে কি চাৰ?

ড° হুছেইন – কমল, ভূমি অৱক্ষয় হ'ল স্থায়ী বা অস্থায়ী ভাৱে ভূমিৰ উৎপাদিকা শক্তি কমি যোৱা। যেতিয়ে ভূমিভাগৰ পুষ্টিহীনতাৰ বাবে উৰ্ব্বৰতা শক্তি কমি যায় তেতিয়াই ভূমি অৱক্ষয় হয়। জলবায়ু পৰিৱৰ্তন, মাটিৰ উপৰেদি অতি পানী প্ৰবাহিত হোৱা, প্ৰদূষিত পানী জমা হোৱা, কীটনাশক, ৰাসায়নিক সাৰৰ অত্যাধিক প্ৰয়োগ, মাটিৰ বৈশিষ্ট্যৰ পৰিৱৰ্তন, মাটিৰ উপৰৰ ঘাহঁবন কমি যোৱা ইত্যাদিৰ ফলত ভূমি অৱক্ষয় হয়। মানুহৰ প্ৰতিকুল কামকাজৰ প্ৰভাৱত ভূমি অৱক্ষয়, নিৰ্বননীকৰণ আৰু মাটিৰ উৎপাদিকা শক্তি কমি যায়।

কমল – ভূমি অৱক্ষয়ৰ কাৰণবোৰ কি?

ড° হুছেইন – এই যে ক'লো – নিৰ্বননীকৰণৰ লোগতে পথাৰত পশুৰ অত্যাধিক চৰণ, অত্যাধিক কৃষি কাৰ্য্য, ঔদ্যোগীকৰণ, নগৰীকৰণ ইত্যাদি বোৰেই ভূমি অৱক্ষয়ৰ মূল কাৰণ।

প্ৰকৃতি – চাৰ, অলপ বহলাই কউকচোন।

ড° হুছেইন – নিৰ্বননীকৰণৰ ফলত ভূমি অৱক্ষয় হয়। মানুহৰ চাহিদা দিনকদিনে বৃদ্ধি হোৱাৰ ফলস্বৰূপে কাঠ, ইন্ধণ, অৰণ্যৰ আন আন মূল্যবান দ্ৰব্যবোৰ কমি গৈছে। তৃণভোজী জন্তুবোৰে অত্যাধিক ঘাহঁ – খোৱাৰ ফলত পথাৰৰ সেউজীয়া আৱৰণ নাইকিয়া হৈ শুকান মাটি লঠঙা হৈ পৰে। আকৌ অত্যাধুনিক কৃষিকাৰ্য্যত ব্যৱহাৰ কৰা কৃত্ৰিম সাৰ, কীটনাশক দ্ৰব্যৰ প্ৰয়োগ আদিয়ে পথাৰৰ মাটিৰ পুষ্টি তথা উৰ্বৰতা কমায় আনে …

বাসন্তী আৰু কমল – হয়েতো – আমি দেখিছোঁয়ে। কিন্তু উপায়তো নাই। যিটো হাৰত মানুহ বাঢ়ি গৈছে – উৎপাদন বৃদ্ধি কৰিবইতো লাগিব।

ড° হুছেইন – আপোনালোকে ঠিকেই কৈছে। দিনে দিনে বৃদ্ধি হোৱা জনসংখ্যাৰ বাবে বৃদ্ধি পোৱা আবাসিক অঞ্চল, বানিজ্যিক অঞ্চল, ঔদ্যোগীকৰণ আদিয়ে ভূমি অৱক্ষয়ত প্ৰভাৱ পেলায়।

পাৰ্থ – বাৰু চাৰ! ভূমি অৱক্ষয় প্ৰতিৰোধ আৰু নিয়ন্ত্ৰণৰ বাবে কেনে ব্যৱস্থা ল'ব পাৰি চাৰ?

ড° হুছেইন - কিছুমান উপায় হৈছে উচ্চতাৰেখ কৃষি ইংৰাজীতে যাক কয় contour farming, ঢাপ- সীৰলু গঠন, গিৰিসিৰা গঠন, শষ্যাৱৰ্তন ইত্যাদি - যিবোৰে মাটি ক্ষয় হোৱাত বাধা দিব পাৰে।

কমল – চাৰ, আমি প্ৰায়ে খৰাঙত ভূগো। কেতিয়াবা মৌচুমী বায়ুৰে বিৰূপ প্ৰভাৱ পেলালে কেউপিনে খৰ হয়। পানীৰ অভাৱত খেতিবাতি নষ্ট হয়। কিদৰে জল সংৰক্ষণ কৰিব পাৰি বাৰু?

ড° হুছেইন – জলসংৰক্ষণ বুলিলে পানীৰ কম ব্যৱহাৰ, ব্যৱহৃত পানীৰ পুৰ্নব্যৱহাৰ আদিকে বুজায়। আচলতে আপোনালোকে সকলোৱে জানে কেনেকৈ খৰাং বতৰৰ পৰা হাত সাৰিবলৈ পানী সংৰক্ষণ কৰিব লাগে।

কমল – হয় চাৰ। আমি বৰষুণৰ পানী সংৰক্ষণ কৰো। আমাৰ গাৱঁত থকা পুখুৰীবোৰ চৰকাৰে অলপতে নতুনকৈ খান্দি পেলেইছে। আমিও সহযোগ কৰিছোঁ।

ড° হুছেইন - বৰ ভাল কথা। আপোনালোকে আৰু জনা উচিত যে পানী সংৰক্ষণৰ বাবে সাধাৰণ সলসিঞ্চণতকৈ টোপটোপকৈ নিগৰা জলসিঞ্চণ, চিটিকিওৱা পানীৰ যোগান, বৃষ্টি হিলৈ, আৱৰ্ত্তিত চাৰণ, আচ্ছাদন শস্য, খৰসহা শস্য আদিৰ প্ৰয়োগয়েও পানী সংৰক্ষণত সহায় কৰে।

কমল – ভাল চাৰ।

গঙ্গা – চাৰ, আমাৰ অঞ্চলত ভূমিগত জলত নিমখৰ পৰিমাণ বাঢ়িছে।

ড° হুছেইন – বাইদেউ, কৃষিৰ ক্ষেত্ৰত এয়টো বৰ জলন্ত সমস্যা। লুনীয়া পানীয়ে খেতিৰ উৎপাদন কমায় দিয়ে কাৰণ মাটিৰ নিমখে মাটিৰ সাৰ ভাগ ক্ৰমে নাইকিয়া কৰে।

গঙ্গা – চাৰ, পানী কিয় লুনীয়া হ্য বাৰু?

ড° হুছেইন – কৃষিৰ বাবে যেতিয়া মাটিভাগ অধিকবাৰ ব্যৱহাৰ কৰা হয়, লগতে উদ্যোগ, সাৰুৱা আৱৰ্জনা আৰু সাগৰৰ সান্নিধ্যত থকা মাটিহাগৰ পানী অধিক লুনীয়া হয়। যেতিয়া খেতিবাটিডৰা মিছামাছৰ পুখুৰিলৈ পৰিৱৰ্ত্তন কৰা হয়, তেতিয়াও পানী লুনীয়া হয়। অন্টীয় জলাহ বনবোৰো পানীত থকা লৱনৰ মাত্ৰা বেছি হোৱা বাবে নষ্ট হৈছে।

হৰ্ষিতা – মানুহে অটীয় জলাহ কৃষিৰ গুৰুত্ব বুজি নোপোৱা বাবে এই উদ্ভিদ নাইকিয়া হৈ যাব ধৰিছে। মাটি আৰু সাগৰৰ মাজৰ যোগসুত্ৰ ৰূপে এই অটীয় জলাহ কৃষিয়ে কাম কৰে। এই উদ্ভিদে সাগৰীয় ধুমুহা আৰু প্ৰবল ঢৌৰ পৰা হোৱা গৰা খহনীয়া প্ৰতিৰোধ কৰে। এই অঞ্চলতে ... বিভিন্ন মাছ, কেকোঁৰা, মিছামাছ আৰু শেলুৱৈজাতীয় উদ্ভিদৰ আবাসভূমি। ইয়াতে বিভিন্ন ঔষধীয় উদ্ভিদ পোৱা যায়। এই উদ্ভিদবোৰ যিমানে কাটে সিমানে তাৰ পোখা বাঢ়ি  যায়।

গঙ্গা – আমি ভূমি ব্যৱহাৰৰ বিষয়ে কিছু কথা জানিব পাৰি ভাল পালো। এতিয়া আমাৰ কৃষক সকলে তেওঁলোকৰ বিভিন্ন সমস্যাৰ বিষয়ে সুধিব পাৰে ...

ড° হুছেইন – অঁ নিশ্চয়।

কমল – মোৰ পাচঁ একৰ মাটি আছে য'ত মই ধানৰ খেতি কৰো। মই উন্নতমানৰ বীজ, সাৰ আৰু কীটনাশক ঔষধ সকলো ব্যৱহাৰ কৰো। কিন্তু সঠিক পৰিমাণৰ উৎপাদন নহয়। মোৰ ভিষণ লোকচান হৈছে। ধাৰ – ঋণো বহুত হৈছে। মোৰ দৰে আৰু বহুতৰে এই অৱস্থা হৈছে ।

ড° হুছেইন – অ' মই – আপোনাৰ সমস্যা বুজিছোঁ – আপোনাৰ মাটিৰ উৰ্ব্বৰতা কমি গৈছে।
কমল – কিয় বাৰু চাৰ?

ড° হুছেইন – ভূমিভাগৰ সুস্বাস্থ্য নিৰ্ভৰ বাবে ভূমিৰ একেবাৰে ওপৰৰ তৰপটোৰ ওপৰত। এই তৰপটোতে সকলো ধৰণৰ পুষ্টিকৰ দ্ৰব্য, বিশেষকৈ জৈৱিক পদাৰ্থখিনি থাকে – যিখিনি উদ্ভিদৰ অতি প্ৰয়োজন। গতিকে এই তৰপটো সদায় সজীৱ হৈ থাকিব লাগে।

কমল – তাৰমানে চাৰ আমাৰ মাটিখিনি আৰু কেতিয়াও ভাল নহ'ব নেকি?

ড° হুছেইন – নাই নাই। সেইটো নহয়।

কমল – তেনেহ'লে কি হ'ব চাৰ – কি কাৰণে এনে হয়?

ড° হুছেইন – এটা কাৰণ হ'ল –“স্প্লেছ” খনন (Splash Erosion)। যেতিয়া বৰষুণ হয় মাটিবোৰ ভাঙি টুকুৰা টুকুৰ হয় – সৰু সৰু টুকুৰাবোৰ সুক্ষ্ম দানালৈ পৰিণত হৈ বোকাৰ সৃষ্টি কৰে। বৰষুণৰ পানীয়ে এই দানা আৰু বোকাবোৰ উটুৱাই লৈ যায় তেনেকৈয়ে মাটিৰ তৰপটো এৰাই যায়।

কমল – তেনেহ'লে পাহাৰীয়া মাটিৰ ঢালবোৰত খনন যে হয় –

ড° হুছেইন – অ' যদি ঢালবোৰ ঠিয়গৰীয়া হয় মাটি ক্ষয় অধিক হয়।

কমল – চাৰ, এই খনন  কেনেকৈ ৰোধ কৰিব পাৰি?

ড° হুছেইন – আপোনালোকে আচলতে সঠিক পদ্ধতিৰে কৃষিকাৰ্য্য নকৰে। ভালদৰে মাটি নচহায়, প্ৰয়োজনতকৈ বেছিকৈ খেতি – চপায় – খেতি চপোৱাৰ পাছত নৰাবোৰ পথাৰতে ৰাখি নথয়। নৰাবোৰ পথাৰত থাকিলে আবতৰীয়া বৰষুণ আৰু বতাহে পথাৰখনৰ বেছি ক্ষতি কৰিব নোৱাৰে। ঢালযুক্ত মাটিৰ ক্ষেত্ৰত এইটো  ব্যৱস্থা কৰাটো অতি প্ৰয়োজন।

বীৰেণ – ধালযুক্ত মাটিভাগ ৰক্ষা কৰা উপায় আৰু কি আছে?

ড° হুছেইন – বান্ধ দিয়া আটাইতকৈ উত্তম ব্যৱস্থা। আৰু এটা সুব্যৱস্থা হ'ল মাথাউৰি নিৰ্মাণ।

কমল আৰু বিৰেণ – চাৰ, কেতিয়াবাতো মথাউৰিও খহি যায়...

ড° হুছেইন – অঁ, সেইয়া নহ'বলৈ মাথাউৰিৰ উপৰত গছপুলি ৰুব লাগে।
কমল – চাৰ, কি কৰিলে মোৰ মাটিডৰাৰ উৰ্বৰতা বৃদ্ধি হ'ব বাৰু? মানে মৈ কি উপায় ল'ব লাগিব?

ড° হুছেইন – আমাৰ পুৰ্বপুৰুষসকলে এই ক্ষেত্ৰত বহুত ভাল ভাল ব্যৱস্থা লৈছিল। অধ্যাপিকা হৰ্ষিতা আপুনি বাৰু এই ক্ষেত্ৰত অলপ ক'বনে?

হৰ্ষিতা – ধন্যবাদ হুছেইন চাৰ। আমাৰ পুৰ্বপুৰুষসকলে মাটি সংৰক্ষণৰ বাবে নানা ব্যৱস্থা লৈছিল। তাৰ ভিতৰত মিশ্ৰকৃষি এটা। মিশ্ৰকৃষি – মানে সিনমিহলি শস্যৰ খেতি কৰা। যেনে ঘেহুঁ – সৰিয়হ, ৰহৰ আৰু বাদাম, গম আৰু মটৰমাহ ইত্যাদি।

কমল – বাইদেউ, মিশ্ৰ শস্যই কেনেকৈ সহায় কৰিব?

হৰ্ষিতা – মিশ্ৰ শস্যৰ কৃষি কৰিলে এবিধৰ পাছত এবিধ শস্যই পথাৰখন ছৰাই ৰাখে। কেতিয়াও উদং পথাৰ বা খালীমাটি পোৱা নাযায়। তাতোকৈ ডাঙৰ কথা যদি এবিধ শস্যৰ খেতি কৰোতে কৃষকজন সফল নোহয় তেতিয়া আন এবিধৰ খেতি কৰিব পাৰে। তেতিয়া তেওঁৰ হাত কেতিয়াও খালী নহয়, নিৰাপদো হয়। খেতিও ভাল হয়, ভূমিসংৰক্ষণো হয়। ছেইঁধৰা উদ্ভিদবোৰ যেনে মটৰ মাহ, তিল, সৰিয়হ আৰু মাহ জাতীয় শস্যবোৰে মাটি খনন ৰোধ কৰে।

বীৰেণ আৰু কমল – আমি তেনেহ'লে তেকেই কৰিম।

হৰ্ষিতা – মাটি খননৰ পৰা ৰক্ষা পাবলৈ কিছুমান উপায় আছে। তাৰ ভিতৰত জৈৱিক উৎপাদনৰ সংমিশ্ৰণ অন্যতম। কিছুমান মানুহে কিছুমান শস্যৰোপণ কৰে যেনে মটৰ মাহ, ৰাজমাহ, টুৱৰ ইত্যাদি যিবোৰে পুৰ্ণবৃদ্ধি পালে পানী নিৰ্গত কৰে। আনহাতে মাটি চহোৱাৰ সময়ত বৰষুণ দিলে জৈৱিক দ্ৰব্যবোৰ মাটিত মিলি যায় আকৌ কেচুৰপচন বা কেচুসাৰেও মাটিত জৈৱিক পদাৰ্থ মিহলাব পাৰে।

কমল আৰু বীৰেণ – চাৰে বৰ ভাল খৱৰ দিলে। এইবোৰতো তেনেই সহজ। আমিও কৰিম।

গঙ্গা – বাৰু বন্ধুসকল। আমি বহু কথাই পাতিলো। এতিয়া আহক সকলোৱে চাহ – বিৰতি লওঁ। আমি ১৫ মিনিটৰ পাছত আকৌ লগ লাগিম।

(সংগীতেৰে সময় বিৰতি)

গঙ্গা – বন্ধুসকল আহক আমি আকৌ আমাৰ আলোচনা আৰম্ভ কৰো।

বীৰেণ – মই মোৰ নামটো ক'ব পাহৰিছোৱেই। মই বীৰেণ হাজৰিকা। নমস্কাৰ, মোৰ এটা ডাঙৰ সমস্যা হৈছে।
ড° হুছেইন – কওকচোন হাজৰিকা।

বীৰেণ – মই যিখিনি মাটিত আগতে খেতি কৰিছিলো সেইয়া এতিয়া বন্ধ্যা হৈ পৰিছে। মাটিখিনি বগা ৰঙৰ হৈ গৈছে। আৰু অ'ত ত'ত জোপোহা গছ কেইজোপামানৰ বাহিৰে একো উদ্ভিদ নাই।

ড° হুছেইন – কি মাটিখিনি বগা ৰঙৰ হৈ গ'ল? তাৰ মানে আপোনাৰ মাটিখিনি লোনযুক্ত নহ'লে খাৰযুক্ত হৈ গ'ল।

বীৰেণ – তেনেহ'লে কি হ'ব? কি কৰো মই?

ড° হুছেইন – দুটা উপায় আছে। পানী প্ৰবাহিত হোৱাৰ পথ নিশ্চিত কৰা আৰু দ্বিতীয়টো মাটিত থকা পানীখিনিৰ বাষ্পীভৱন কমোৱা। এইবোৰ কৰাৰ বাবে মাটিখিনি ঢাকি ৰখাৰ ব্যৱস্থা কৰিব লাগিব। আনহাতে জিপচাম নহ'লে ফেৰাচ চালফেট মিহলাব লাগিব। মাটিৰ খাৰভাগ কমাবলৈ নিয়মীয়াকৈ পচন সাৰ অথৱা জৈৱিক সাৰ মিহলাব লাগিব।

বাসন্তী – চাৰ, আমাৰ গাৱঁৰে শিৱই আগতে কাটিডৰাত ধানখেতি কৰিছিল। তেতিয়া তেঁও বহুত সমস্যাৰ সন্মুখিন হৈছিল। বিশেষকৈ সহায়কৰা মানুহৰ নাটনি হৈছিল। ফলত বৰ লোকচানৰ সন্মুখিন হৈছিল। সেইবাবে তেওঁ মাটি খান্দি পুখুৰী কৰি মিছামাছ পুঁহিবলৈ ল'লে। তাৰ পৰা এতিয়া বহুত লাভ হৈছে। আমিও তেনে কৰা উচিত নে?

গঙ্গা – বহুতী কৃষকে আমাৰ গাৱঁতো এনে কৰিছে।

ড° হুছেইন – এইয়া কেৱল আপোনালোকৰ গাৱঁতে নহয় সাগৰ আৰু নদীৰ পাৰৰ অঞ্চলবোৰতো এনে হোৱা দেখা গৈছে। কিছুমান গাৱঁত নাৰিকল, তামোলৰ বাৰীও অতৰাই পুখুৰী খান্দি পেলোৱা হৈছে। অটীয় জলাহ বনবোৰো কাটি পুখুৰী খান্দি মীনপালন কৰা হৈছে। বিশেষকৈ মিছামাছ পালন কৰা হৈছে। এইবোৰৰ পৰা লাভ পোৱা যায়। কিন্তু এই লাভ ক্ষন্তেকিয়া। কিয়নো মিছামাছ পালন আন কৃষিৰ দৰে দীৰ্ঘৰ্ম্যাদী হ'ব নোৱাৰে।

গঙ্গা – আমাৰ কৃষকসকলে মিছামাছ পালনৰ ফলত পৰিবেশত পৰিবলগীয়া বেয়া প্ৰভাৱৰ কথা নাজানে অলপ বুজাই কওঁকচোন।

ড° হুছেইন – হ’ব বাইদেউ। জলজ কৃষি কৰা কৃষকসকল বহুতো কৃত্ৰিম বা ৰাসায়নিক সাৰ ব্যৱহাৰ কৰে যিবোৰে পৰিবেশত কু প্ৰভাৱ পেলায়। জলজ কৃষিপামবোৰৰ পৰা নিৰ্গত পানীবোৰ বহুত পুষ্টিকৰ, যিবোৰে উদ্ভিদ আৰু ভেকুৰৰ বৃদ্ধি দ্ৰুতগামী কৰে। এই পানীবোৰে দাতি কাষৰীয়া জলাশয়বোৰত পৰি জন উৰ্বৰীকৰণ কৰে – যিয়ে অক্সিজেনৰ মাত্ৰা কমাই জলজ প্ৰাণীবোৰ মাৰি পেলায়। মিছামাছ পালনৰ ফলস্বৰূপে মাটিবোৰ এচিদযুক্ত  হৈ পৰে।

গঙ্গা – মই জনাত কিছুমান অঞ্চলত পানীৰ লৱনতা কমাবলৈ ভূমিগত জল – নিষ্কাষণ কৰি মিহলোৱা হয়।

ড° হুছেইন – হয় ঠিকেই – সেইটোৱে মাটিৰ লোনভাগ ভিতৰলৈ সুমুৱাই দিয়ে।

কমল – চাৰ, জলজ কৃষকসকলে জীৱাণু নাশক আৰু আন আন দৰৱ ব্যৱহাৰ কৰে, যাৰ দ্বাৰা জীৱবোৰৰ বেমাৰ নিয়ন্ত্ৰণ হয়।

ড° হুছেইন – হয় সেইটো সচাঁ চৌধুৰী। ইয়াৰ ফলত এটা সময়ত কীটানুবিলাকত জীৱানু নাশক দ্ৰব্যৰ প্ৰভাৱ নপৰাঘ’ব যিয়ে আন বেলেগ পৰিবেশিক সমস্যাৰ সৃষ্টি কৰিব।

হৰ্ষিতা- বাৰু বন্ধুসকল! আমি এই বিষয়ে বহু কথাই পাতিলো, সমস্যা বোৰ প্ৰায় সকলোৰে একেই। মুঠতে কৃষিকাৰ্য্যঋেছে সমুহীয়া কাৰ্য্য। সকলোৱে বহি একেলগে আলোচনা বিলোচনা কৰিহে সমস্যা দূৰ কৰিব পাৰে। কোনেও কোনো ব্যক্তি বিশেষৰ ভুৱা প্ৰৰোচনা বা দিহা পৰামৰ্শলৈ ভূল পথে পৰিচালিত যেন নহয় – তাৰ বাবে সতৰ্ক থাকিব।

ড° হুছেইন- আমি সকলোৱে এই কথা বুজা উচিত যে আধুনিক যুগত মানুহৰ কাৰ্য্যকলাপে ভূ – অবয়বৰ পৰিৱৰ্ত্তন সাধিছে। ভূমি ব্যৱহাৰৰ পৰিবৰ্ত্তনে জলবায়ুৰ পৰিৱৰ্ত্তন অনাত অৰিহণা যোগাইছে। ক্ৰান্তীয় অঞ্চলৰ নিৰ্বননীকৰণে বায়ুমণ্ডলত কাৰ্বনডাঅক্সাইড অৰ্থাৎ এঙাৰ গেছৰ পৰিমান বৃদ্ধি কৰিছে। ক্ৰান্তীয় নিৰ্বননীকৰণ কৰি পশুপালন ক্ষেত্ৰ বা কৃষিভুমিবোৰ বঢ়োৱা হৈছে। এইবোৰে মাটিত থকা জলভাগৰ ভাৰ্সাম্য আৰু শক্তিৰ সলনি ঘটাইছে।

হৰ্ষিতা – নগৰীয়াকৰণে শক্তিৰ উপভোক্তা বঢ়াইছে। ফলত উত্তাপ বৃদ্ধি হৈছে আৰু উদ্ভিদৰ হাৰ কমাই দিছে।

কমল – এইটো সচাঁ। কিন্তু জনসংখ্যা বৃদ্ধি হৈ গৈ আছে। আমি সকলোৰে বাবে খাদ্য সামগ্ৰী সুৰক্ষিত কৰিবলগীয়া হৈছে।গতিকে খেতি মাটি বঢ়োৱাৰ বাদে উপায়তো নাই।

ড° হুছেইন – সেইটোওসঁচা। যোৱা চাৰি দশকত সৌভাগ্যক্ৰমে বিভিন্ন বৈজ্ঞানিকে অতি উন্নত পৰ্য্যায়ৰ জ্ঞান আৰু কৌশল খটুৱাই যিবোৰ উপায় অবলম্বন কৰিছে তাৰ দ্বাৰা জনমুৰি খাদ্যৰ পৰিমাণ বৃদ্ধি হৈছে। তেঁলোকে নতুন নতুন মাটিত কিদৰে উৎপাদন কৰি খাদ্য বস্তুৰ দাম কমাব পাৰি তাৰেই প্ৰচেষ্টা চলাইছে। পৰিৱেশ সুৰক্ষাৰ লগতে এই কামে নিশ্চয় দ্বিতীয় সেউজত বিপ্লৱৰ সুচনা কৰিব।

হৰ্ষিতা- অৱশেষত মই কৃষক বন্ধুসকলক এটা কথা ক'ব খুজিছোঁ – যে ২১ শতিকাত খাদ্য আৰু আহঁজাতীয় শস্যৰ উৎপাদন পদ্ধতিয়ে প্ৰাকৃতিক সম্পদৰ অৱক্ষই কমাই আনিব। আৰু ইয়াৰ ফলত এটা সুস্থ আৰু স্বাস্থ্যকৰ পৰিৱেশ তন্ত্ৰৰ সৃষ্টি কৰিব। এই সকলোবোৰে আমাৰ সমাজত এটা নিকা প্ৰছাব পেলাব।

ড° হুছেইন – (হাতচাপৰি বজাই) একেবাৰে ঠিক একেবাৰে ঠিক। কৃষক বন্ধুসকল আপোনালোকে এটা কথা জানি থওক যে জৈৱবৈচিত্ৰ্য যদি এবাৰ বিলীন হয় তেতিয়া সেই ক্ষতি চিৰস্থায়ী। গতিকে কৃষি, মীনপালন, বন পৰ্য্যাটন, খনিজ আদি যি বিভাগেই নহওক সকলোৰে ক্ষেত্ৰত পাৰস্পৰিক সম্বন্ধ থাকে। কাৰ্য্যকলাপ এনে হোৱা প্ৰয়োজন যাতে জৈৱবৈচিত্ৰ্য সংৰক্ষণ আৰু অক্ষুন্নতা অটুট থাকে। যিকোনো দিশৰ বহনক্ষম উন্নয়নৰ বাবে জৈৱবৈচিত্ৰ্য সমন্বয় ৰক্ষা কৰা প্ৰয়োজন। আমাৰ চৰকাৰে এই স্খেত্ৰত বিভিন্ন পদক্ষেপ লৈছে।

গঙ্গা – বাৰু বন্ধুসকল। এই আলোচনা সভাৰ দ্বাৰা আপোনালোক নিশ্চয় উপকৃত হৈছে। আমি সকলোৰ বাবে দুপৰীয়াৰ আহাৰ ব্যৱস্থা কৰিছোঁ। সকলোৱে আহাৰ খোৱা স্থানলৈ বলকছোন। আমি ভূমিৰ সঠিক ব্যৱহাৰৰ বাবে কিছুমান পুস্তিকা প্ৰকাশ কৰিছোঁ, আপোনালোকে লৈ যাব – গৈ সকলো কৃষকৰ সৈতে আলোচনা কৰিব। সিদ্ধান্তবোৰ সঠিককৈ ল'ব।

সকলোৱে – ধন্যবাদ বাইদেউ। এনেবোৰ কথা জনোৱা বাবে আমি সকলোৱে আপোনালোকৰ ওচৰত কৃতজ্ঞ হৈ থাকিম। লগ পাম নিশ্চয়। নমস্কাৰ।
********************************************************************
****

প্ৰশ্ন ( প্ৰস্তুতকৰ্তা সপ্তৰ্ষি ভট্টাচাৰ্য্য)

১. যিকোনো দুখন অকৃষি ভূমি উল্লেখ কৰা।
- পাৰ্বত্য অঞ্চল আৰু অৰণ্য অঞ্চল।

২. “স্প্লেছ” খনন কাক বোলে?
- -“স্প্লেছ” খনন (S p l a s h E r o s i o n)। যেতিয়া বৰষুণ হয় মাটিবোৰ ভাঙি টুকুৰা টুকুৰ হয় – সৰু সৰু টুকুৰাবোৰ সুক্ষ্ম দানালৈ পৰিণত হৈ বোকাৰ সৃষ্টি কৰে। বৰষুণৰ পানীয়ে এই দানা আৰু বোকাবোৰ উটুৱাই লৈ যায় তেনেকৈয়ে মাটিৰ তৰপটো এৰাই যায়।
********************************************************************